# 2014

## ELECTIVE ASSAMESE

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। *এটা* শব্দ বা বাক্যত উত্তৰ লিখা : ১×১০=১০

(ক) সত্যনাথ বৰাই লিখা অসমীয়া ব্যাকৰণখনৰ নাম কি?

(খ) প্ৰায়োগিক ব্যাকৰণৰ সংজ্ঞা দিয়া।

(গ) অসমীয়া ভাষাত নাসিক্যধ্বনি কেইটা আৰু কি কি?

(ঘ) অনুনাসিকতা অসমীয়া ভাষাত বিশিষ্ট ধ্বনি হয়নে?

(ঙ) অসমীয়া ভাষাত লিংগ নিৰ্ণয়ৰ পদ্ধতি কেইটা?

(চ) অসমীয়া ভাষাত সম্প্ৰদান কাৰক আছেনে?

(ছ) সৰ্বনাম শব্দৰ সংজ্ঞা লিখা।

(জ) প্ৰত্যয়ৰ ভাগ দুটা কি কি?

(ঝ) বাক্যৰ প্ৰধান ভাগ দুটা কি কি?

(ঞ) যতি চিহ্ন বুলিলে কি বুজা?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) অসমীয়া ভাষাত প্ৰথমে কোনে, কেতিয়া ব্যাকৰণ ৰচনা কৰিছিল আৰু ব্যাকৰণখনৰ নাম কি?

(খ) বাগ্‌ধ্বনি বুলিলে কি বুজা? ইয়াৰ উচ্চাৰণ কেনেকৈ হয়?

(গ) অসমীয়া ভাষাত লিংগ কেইটা আৰু কি কি?

(ঘ) গঠনৰ ফালৰ পৰা অসমীয়া বাক্যৰ ভাগ কেইটা আৰু কি কি?

(ঙ) অৰ্ধতৎসম শব্দ কাক বোলে, উদাহৰণসহ বুজাই লিখা।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) স্বৰধ্বনিৰ বিশেষ গুণবোৰ কি কি, বিশ্লেষণ কৰা।

(খ) অল্পপ্ৰাণ আৰু মহাপ্ৰাণ ধ্বনি বুলিলে কি বুজা, উদাহৰণেৰে ব্যাখ্যা কৰা।

(গ) কাৰকৰ সংজ্ঞা দাঙি ধৰি কাৰক আৰু বিভক্তিৰ সম্পৰ্ক কি, বিচাৰ কৰা।

(ঘ) তদ্ধিত প্ৰত্যয় কাক বোলে? অসমীয়া ভাষাত তদ্ধিত প্ৰত্যয়ৰ ব্যৱহাৰ সম্পৰ্কে উদাহৰণসহ বুজাই লিখা।

(ঙ) খণ্ডবাক্য আৰু বাক্যাংশ কাক বোলে, উদাহৰণসহ বুজাই লিখা।

(চ) অসমীয়া ভাষাত তৎসম শব্দৰ ব্যৱহাৰ সম্পৰ্কে চমুকৈ লিখা।

৪। (ক) ব্যাকৰণ বুলিলে কি বুজা? ব্যাকৰণৰ প্ৰকাৰ সম্পৰ্কে ফঁহিয়াই আলোচনা কৰা। ১০

*অথবা*

(খ) অসমীয়া ব্যাকৰণৰ বিকাশৰ এটি ঐতিহাসিক পৰ্যালোচনা যুগুত কৰা।

৫। (ক) অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনিৰ সংখ্যা কেইটা আৰু কি কি? উচ্চাৰণৰ স্থান আৰু ধৰণৰ ভিত্তিত সেই ধ্বনিবোৰৰ এখন তালিকা প্ৰস্তুত কৰা। লগতে অসমীয়া স্বৰবৰ্ণমালাত থকা আখৰসমূহ নিৰ্দেশ কৰা। ১০

*অথবা*

(খ) অসমীয়া ভাষাত স্পৰ্শবৰ্ণ কেইটা আৰু কি কি? উচ্চাৰণৰ স্থান আৰু ধ্বনিগুণ অনুসৰি এই বৰ্ণসমূহ তালিকাভুক্ত কৰা। উক্ত বৰ্ণসমূহৰ আদ্যস্থানত বিৰোধ দেখুৱাই উদাহৰণ দিয়া।

৬। (ক) বচন বুলিলে কি বুজা? অসমীয়া ভাষাত বচন-নিৰপেক্ষ ৰূপৰ পাছত একবচনবাচক আৰু বহুবচনবাচক ৰূপবোৰ কেনেধৰণেৰে প্ৰয়োগ হয়, উদাহৰণসহ বুজাই লিখা। অসমীয়া ভাষাত বচন ব্যাকৰণগত হয়নে? ১০

*অথবা*

(খ) ধাতু কাক বোলে? উৎপত্তিগতভাৱে অসমীয়া ধাতুবোৰক কি কি ভাগত ভগাব পাৰি, উদাহৰণসহ আলোচনা কৰা।

৭। (ক) "ভাষাবিজ্ঞানৰ মতে আকাংক্ষা, যোগ্যতা আৰু আসক্তি নাথাকিলে বাক্য সম্পূৰ্ণ হ'ব নোৱাৰে।" এই কথাষাৰৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰা। ১০

*অথবা*

(খ) অসমীয়া ভাষাৰ শব্দভাণ্ডাৰৰ বিভিন্ন উৎস সম্বন্ধে বহলাই আলোচনা কৰা।

★★★